2019/TDC/EVEN/ASMGEC/ASMDSC –201T/080

TDC (CBCS) Even Semester Exam., 2019

ASSAMESE

(2nd Semester)

Course No. : ASMGEC–201 T/ASMDSC–201T

[অসমীয়া সাহিত্যৰ বুৰঞ্জী(আৰম্ভণিৰ পৰা জোনাকী যুগলৈ)

Full Marks : 70

Pass Marks : 28

Time : 3 hours

The figures in the margin indicate full marks for the questions

গোট—১

১। **এটা** শব্দ বা **এটা** বাক্যত উত্তৰ দিয়া (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগ বিভাজন মূলতঃ কেইটা ভাগত ভগাব পাৰি ?

(খ) অসমীয়া সাহিত্যৰ প্ৰকৃত ইতিহাস ক'ৰ পৰা আৰম্ভ হৈছে ?

(গ) 'অসমীয়া সাহিত্যৰ চানেকি' শীৰ্ষক সাহিত্যৰ বুৰঞ্জীখনৰ প্ৰণেতা কোন ?

(ঘ) আইনাম আৰু বিয়ানামক লোকগীতৰ কোনটো শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰি ?

(ঙ) নিচুকনি গীতক অন্য কি নামেৰে জনা যায় ?

২। (ক) ড. সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া লোকসাহিত্যৰাজিক কেইটা আৰু কি কি ভাগত বিভক্ত কৰিছে ? ২

অথবা

(খ) অসমীয়া সাহিত্যৰ আদি যুগত কি কি সাহিত্য অন্তৰ্ভুক্ত কৰিব পাৰি ?

৩। (ক) অসমীয়া সাহিত্যৰ প্ৰধান যুগকেইটা কি কি ? প্ৰত্যেকৰে এটি আলোচনা আগবঢ়োৱা। ২+৬=৮

অথবা

(খ) অসমীয়া আখ্যান গীতৰ শ্ৰেণী বিভাজন কৰি এটি আলোচনা দাঙি ধৰা। ২+৬=৮

গোট—২

৪। **এটা** শব্দ বা **এটা** বাক্যত উত্তৰ দিয়া (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) 'প্ৰহ্লাদ চৰিত্ৰ' কাব্যখনৰ ৰচক কোন ?

(খ) কবিৰত্ন সৰস্বতীৰ দ্বাৰা ৰচিত কাব্যখন কি ?

(গ) ৰুদ্ৰ কন্দলীয়ে কাৰ পৃষ্ঠপোষকতা বা অনুপ্ৰেৰণা লাভ কৰি কাব্য ৰচনা কৰিছিল ?

(ঘ) কমতাপুৰৰ ৰজাৰ অনুপ্ৰেৰণা লাভ কৰা কবিসকলৰ ভিতৰত কাক সৰ্বশ্ৰেষ্ঠ কবি বুলি আখ্যা দিয়া হয় ?

(ঙ) 'দেৱজিৎ' নামৰ কাব্যখন কোনগৰাকী কবিৰ নামত ভনিতা পোৱা যায় ?

৫। (ক) ''হৰিবৰ বিপ্ৰই ৰচনা কৰা দুয়োখন কাব্যৰে বিষয়বস্তু পিতা-পুত্ৰৰ ৰণ আৰু পুত্ৰৰ হাতত পিতৃৰ পৰাভৱ।'' বিপ্ৰৰ কাব্য দুখনৰ নাম কি কি ? ২

অথবা

(খ) কন্দলি ৰামায়ণৰ লগত সংযুক্ত আদিকাণ্ড আৰু উত্তৰাকাণ্ড ৰামায়ণৰ ৰচক কোন কোন ?

৬। (ক) প্ৰাক-শংকৰী যুগৰ শ্ৰেষ্ঠ কবি কোন ? এই কবিগৰাকীৰ কাব্য-প্ৰতিভাৰ এটি পৰিচয় দাঙি ধৰা। ১+৭=৮

অথবা

(খ) মাধৱ কন্দলিৰ ৰামায়ণৰ মাজেদি ফুটি উঠা অসমীয়া সমাজ-জীৱনৰ এটি আভাস দিয়া। ৮

গোট—৩

৭। **এটা** শব্দ বা **এটা** বাক্যত উত্তৰ দিয়া (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) শংকৰদেৱৰ দ্বাৰা ৰচিত প্ৰথম কাব্যখন কি ?

(খ) 'ভক্তি ৰত্নাকৰ' গ্ৰন্থখন কি ভাষাত ৰচিত ?

(গ) 'অৰ্জুন ভঞ্জন'ৰ বাহিৰে মাধৱদেৱৰ বাকীকেইখন নাটক কি বোলা হয় ?

(ঘ) ভাগৱতৰ দশম স্কন্ধৰ মধ্য আৰু শেষ ভাগ অসমীয়ালৈ কোনে অনুবাদ কৰিছিল ?

(ঙ) পুৰণি অসমীয়া কবিসকলৰ ভিতৰত সকলোতকৈ সৰহ সংখ্যক পদ ৰচনা কৰা কবিগৰাকী কোন ?

৮। (ক) দুখন বধকাব্যৰ নাম লিখা। ২

অথবা

(খ) শ্ৰীধৰ কন্দলীৰ দ্বাৰা ৰচিত প্ৰসিদ্ধ কাব্য দুখনৰ নাম লিখা।

৯। (ক) শংকৰদেৱৰ অংকীয়া নাটসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা। ৮

অথবা

(খ) মাধৱদেৱৰ বৰগীতৰ বিষয়ে চমু আলোচনা দাঙি ধৰা।

গোট—৪

১০। **এটা** শব্দ বা **এটা** বাক্যত উত্তৰ দিয়া (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) 'অৰুণোদই' কাকতখন ক'ৰ পৰা প্ৰকাশ পাইছিল ?

(খ) *Grammatical Notices of the Assamese Language* শীৰ্ষক ব্যাকৰণখনৰ প্ৰণেতা কোন ?

(গ) অসমীয়া ভাষা-সাহিত্যলৈ ড. মাইলছ ব্ৰন্সনৰ যুগান্তকাৰী অৱদান কি ?

(ঘ) 'অৰুণোদই' কাকতত ন. ল. ফ. ছদ্মনামেৰে কোনে লিখিছিল ?

(ঙ) 'অৰুণোদই' কাকতত প্ৰকাশ পোৱা 'ইংলেণ্ডৰ বিৱৰণ' শীৰ্ষক ৰচনাখন কোনে লিখিছিল ?

১১। (ক) 'অৰুণোদই'ক অনুসৰণ কৰি প্ৰকাশ পোৱা দুখন অসমীয়া বাতৰিকাকতৰ নাম লিখা। ২

অথবা

(খ) অৰুণোদয়ৰ প্ৰভাৱ মুক্ত দুজন লেখকৰ নাম লিখা।

১২। (ক) অসমীয়া ভাষা সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান সম্পৰ্কে চমুকৈ আলোচনা কৰা। ৮

অথবা

(খ) অৰুণোদয় কালৰ যি কোনো এগৰাকী খ্ৰীষ্টিয়ান লেখকৰ সাহিত্যকৃতি সম্পৰ্কে আলোচনা কৰা।

গোট—৫

১৩। **এটা** শব্দ বা **এটা** বাক্যত উত্তৰ দিয়া (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) অ. ভা. উ. সা সভা কেতিয়া গঠিত হৈছিল ?

(খ) 'জোনাকী'ৰ প্ৰথম সম্পাদক কোন আছিল ?

(গ) 'কদমকলি' কোনগৰাকী কবিৰ কবিতাপুথি ?

(ঘ) কলিকতা প্ৰবাসী চাৰিজন অসমীয়া ডেকাই ছেক্সপীয়েৰৰ '*Comedy of Errors*' নাটকখন কি নামেৰে অসমীয়ালৈ অনুবাদ কৰিছিল ?

(ঙ) প্ৰথম অসমীয়া উপন্যাস কোনখন ?

১৪। (ক) প্ৰথম অসমীয়া ছনেট কবিতাটো আৰু ছনেটকাৰগৰাকীৰ নাম লিখা। ২

অথবা

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ দুখন গল্প সংকলনৰ নাম লিখা।

১৫। (ক) জোনাকী যুগৰ সাহিত্যৰ বৈশিষ্ট্যসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা। ৮

অথবা

(খ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাট্যপ্ৰতিভা সম্পৰ্কে এটি চমু আলোচনা দাঙি ধৰা।

★★★